**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 06-09-2026 **Time :** 1205 Hrs.

**Assamese Midday Bulletin**

**<u>Headlines</u>**

১। শিক্ষাৰ্থীসকলক ডাঙৰ সপোন দেখিবলৈ উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনৰ গুৱাহাটীত আহ্বান।

৩। ৰাজ্যৰ বৈচিত্ৰ্যময় ঐতিহাসিক, পুৰাতাত্বিক, খিলঞ্জীয়া আৰু জনজাতীয় ঐতিহ্যৰ সংৰক্ষণ আৰু প্ৰচাৰৰ বাবে ব্যৱস্থা অধিক শক্তিশালী কৰিবলৈ চৰকাৰৰ সিদ্ধান্ত।

২। অসম লোকসেৱা আয়োগৰ ২০২৫ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক মূল পৰীক্ষাৰ দিন ঘোষণা।

*আৰু*

৪। নৰোৰাম বৰ্মন সোঁৱৰণী চলন্ত ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত আজি নৰ্থ-ইষ্ট ইউনাইটেড এফ চি আৰু দুলীয়াজান অইল মুখামুখি।

০০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ দুদিনীয়া অসম ভ্ৰমণসূচীৰে আজি পুৱা গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত উপস্থিত হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিমান বন্দৰত উপ-ৰাষ্ট্ৰপতিগৰাকীক আদৰণি জনায়। ইয়াৰ পাছতে উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত গীতানগৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশ লৈ, শ্ৰী ৰাধাকৃষ্ণনে কয়, যে শিক্ষা মানুহৰ জ্ঞান. বিবেক, চৰিত্ৰ আৰু চেতনা বিকাশৰ মাধ্যম। কৃত্ৰিম বুদ্ধিমত্ত, ছেমিকণ্ডাক্টৰ, মহাকাশ, প্ৰযুক্তিকে ধৰি বিভিন্ন ক্ষেত্ৰত ভাৰতৰ বাবে সম্ভাৱনাৰ নতুন দুৱাৰ মুকলি হোৱা বুলি উল্লেখ কৰি উপৰাষ্ট্ৰপতিগৰাকীয়ে শিক্ষাৰ্থীসকলক ডাঙৰ সপোন দেখিবলৈ আহ্বান জনায়। বিয়লি শ্ৰী ৰাধাকৃষ্ণণে গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন সমাৰোহত ভাগ ল'ব। উপ-ৰাষ্ট্ৰপতিগৰাকী কাইলৈ পুৱা কামাখ্যা মন্দিৰ দৰ্শন কৰিব। ইয়াৰ পাছত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ এটা আধাৰশিলা স্থাপন অনুষ্ঠানত ভাগ ল'ব। তেওঁ লগতে বিশ্ববিদ্যালয়খনৰ অভিৱৰ্তন কেন্দ্ৰত শিক্ষাৰ্থী, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু বিশিষ্ট নাগৰিকৰ সৈতে মত বিনিময় কৰিব। অসম ভ্ৰমণ সামৰি উপ-ৰাষ্ট্ৰপতিগৰাকী মেঘালয়ৰ ৰাজধানী শ্বিলঙলৈ ৰাওনা হ'ব। তাত তেওঁ ছ'ছ'থাম প্ৰেক্ষাগৃহৰ এটা ৰাজহুৱা অভ্যৰ্থনা আৰু সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰিব। উপ-ৰাষ্ট্ৰপতিগৰাকী পৰহিলৈ ইম্ফললৈ যাব। তেওঁ মাইৰংস্থিত আই এন এ সংগ্ৰহালয় তথা যুদ্ধস্মাৰক আৰু ইম্ফল সৈনিক বিদ্যালয় পৰিদৰ্শন কৰিব। ইয়াৰ পাছতে উপ-ৰাষ্ট্ৰপতিগৰাকী অৰুণাচল প্ৰদেশৰ ৰাজধানী ইটানগৰলৈ ৰাওনা হ'ব। ভ্ৰমণৰ অন্তিম দিনা শ্ৰীৰাধাকৃষ্ণণে অৰুণাচল প্ৰদেশ বিধানসভাৰ বিশেষ অধিৱেশনত ভাগ ল'ব আৰু বিধানসভা বিথীকা তথা সংগ্ৰহালয় পৰিদৰ্শন কৰিব। তেওঁ লগতে ইটানগৰস্থিত জৱাহৰলাল নেহৰু ৰাজ্যিক সংগ্ৰহালয় আৰু শ্ৰৱণ শক্তিৰোহিত তথা দৃষ্টিৰোহিত শিক্ষাৰ্থীৰ বাবে থকা ডঞ্জি প'লো মিছন বিদ্যালয়ো পৰিদৰ্শন কৰিব।

০০০০০০

অসম লোকসেৱা আয়োগে ২০২৫ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক মূল পৰীক্ষাৰ দিন ঘোষণা কৰিছে। এই অনুসৰি অহা ৯, ১০ আৰু ১১ অক্টোবৰত গুৱাহাটীৰ বিভিন্ন কেন্দ্ৰত পৰীক্ষাসমূহ অনুষ্ঠিত হ'ব। পৰীক্ষাৰ্থীসকলে অসম লোকসেৱা আয়োগৰ ৱেবছাইট www.apsc.nic.in ৰ জৰিয়তে অহা ১৮ আৰু ১৯ ছেপ্তেম্বৰত প্ৰৱেশ পত্ৰ ডাউন লোড কৰিব পাৰিব।

oooooo

চৰকাৰে ৰাজ্যৰ বৈচিত্ৰ্যময় ঐতিহাসিক, পুৰাতাত্বিক, খিলঞ্জীয়া আৰু জনজাতীয় ঐতিহ্যৰ সংৰক্ষণ, প্ৰচাৰ আৰু নথিভুক্তকৰণৰ বাবে প্ৰতিষ্ঠানগত ব্যৱস্থাসমূহ অধিক শক্তিশালী কৰি তোলাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু  সংস্কৃতি বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰীৰ সভাপতিত্বত কালি জনতাভৱন অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকত ৰাজ্যৰ চহকী ঐতিহাসিক, পুৰাতাত্বিক, খিলঞ্জীয়া আৰু জনজাতীয় ঐতিহ্যৰ সংৰক্ষণ, প্ৰচাৰ আৰু নথিভুক্তকৰণ সম্পৰ্কীয় বিভিন্ন বিভাগীয় দিশৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হয়। ইয়াৰ উপৰি বৈঠকত ৰূপায়িত আৰু নতুন আঁচনি তথা কাৰ্যসূচী, বাজেট আৱণ্টন, ধ্বজাবাহী কাৰ্যসূচী, আহৰণ, পৰিকল্পনা আৰু ভৱিষ্যৎ কাৰ্যসূচীসমূহৰ পুনৰীক্ষণ কৰা হয়। বৈঠকত মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে সংশ্লিষ্ট সঞ্চালকালয়সমূহৰ চলি থকা কাৰ্যসূচীসমূহ পৰ্যালোচনা কৰাৰ লগতে বিভাগীয় পদক্ষেপসমূহৰ সফল ৰূপায়ণৰ বাবে সমন্বিত প্ৰচেষ্টাত গুৰুত্ব আৰোপ কৰে।

ooooooo

কৃষকৰ উপাৰ্জন পাঁচগুণ কৰিব পাৰিলেহে অসমখন আগুৱাই যাব বুলি কৃষি আৰু জলসিঞ্চন মন্ত্ৰী পীযুষ হাজৰিকাই মন্তব্য কৰিছে। ভোকেল ফৰ লোকেল আঁচনিৰ অধীনত নতুন ষ্টাৰ্টআপক উৎসাহিত কৰাৰ লগতে গুণগত মান পৰ্যালোচনা কৰাৰ বাবে কালি ক্ষেত্ৰী বামফৰৰ অসম মাখনা উদ্যোগ পৰিদৰ্শন কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে অসমখনক আমি কৃষিৰ ক্ষেত্ৰত অগ্ৰণী কৰিব লাগিব আৰু খেতিয়কসকলৰ উপাৰ্জন দুগুণ নহয়, পাঁচগুণ কৰিব লাগিব তেতিয়াহে অসম আগুৱাই যাব। ৰাজ্যত মাখনা খেতিৰ সম্ভাৱনাৰ বিষয়ে উল্লেখ কৰি শ্ৰী হাজৰিকাই কয়, যে এই নতুন খেতিৰ জৰিয়তে খেতিয়কসকল দুগুণ লাভান্বিত হ'ব। তেওঁ কয়, যে কৃষকসকল নিজৰ ঘৰৰ চৌহদত থকা মাছ পোহা পুখুৰীত  মাখনা খেতি কৰি কৃষকসকল স্বাৱলম্বি হ'ব পাৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে অসমত বিল, খাল, নদী বহুত আছে আৰু তেনে ঠাইত পদুম ফুল সহজে হয়। সেইবোৰ তুলি আনি মাখনা প্ৰস্তুত কৰিব পাৰি। এই খেতিক বানেও মাৰিব নোৱাৰে আৰু বেছি সাৰো নালাগে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ooooooo

ভাৰতৰত্ন সন্মানেৰে সন্মানিত ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত কালিৰে পৰা অহা ৮ ছেপ্তেম্বৰলৈ এলানি বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাস আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ উদ্যোগত কালি পাঞ্জাবাৰীৰ মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত সদৌ অসম ভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা আৰু সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়। কলকাতা অসমীয়া সাংস্কৃতিক সংস্থাৰ উদ্যোগত আজি সন্ধিয়া কলকাতাৰ অসম ভৱনত ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। একেদৰে কাইলৈ বৃহত্তৰ গুৱাহাটী সাংস্কৃতিক সংগঠনৰ সন্মিলিত মঞ্চৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত বিয়লি **মানুহে মানুহৰ বাবে** শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ৮ ছেপ্তেম্বৰত ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাস আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ উদ্যোগত কলাক্ষেত্ৰত মহামিলনৰ তীৰ্থ শীৰ্ষক বিশেষ অনুষ্ঠান অনুষ্ঠিত হ'ব। সেইদিনা  পুৱা গুৱাহাটীৰ

জালুকবাৰীৰ ড° ভূপেন হাজৰিকা সমন্বয় ক্ষেত্ৰত সুধাকণ্ঠলৈ শ্ৰদ্ধাৰ্ঘ জনোৱাৰ লগতে ড° ভূপেন হাজৰিকা সংগ্ৰহালয়ৰ আধাৰশিলা স্থাপন কৰা হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

সুধাকণ্ঠৰ জন্মশতবৰ্ষ উদযাপন উপলক্ষে গুৱাহাটীৰ জালুকবাৰীত অহা ৮ ছেপ্তেম্বৰত বিশেষ সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচীত প্ৰায় এশ গৰাকী শিল্পীয়ে একেলগে শিল্পীগৰাকীৰ কেইবাটাও চিৰসেউজ গীত পৰিবেশন কৰিব।

ইপিনে শিল্পীগৰাকীৰ বছৰজোৰা জন্ম শতবৰ্ষ উদযাপনৰ সামৰণি অনুষ্ঠান অহা ৮ ছেপ্তেম্বৰত নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত গায়ক, গীতিকাৰ, সুৰকাৰ, সংগীত পৰিচালক তথা অসমীয়া সংস্কৃতিৰ মহীৰূহ ড° ভূপেন হাজৰিকাৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁৰ অমৰ সৃষ্টি, মানৱতাবাদ আৰু সাংস্কৃতিক ঐক্যৰ বাৰ্তা দেশজুৰি প্ৰচাৰ কৰা হ'ব।

বিগত বৰ্ষৰ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৱাহাটীত শুভাৰম্ভ কৰা এই বছৰজোৰা অনুষ্ঠানৰ অংশহিচাপে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভিন ভিন কাৰ্যসূচী অনুষ্ঠিত কৰি অহা হৈছে। আনহাতে সাংস্কৃতিক অনুষ্ঠান সুৰ তীৰ্থৰ উদ্যোগতো আজি গুৱাহাটীত কটন এলামনাই ড° ভূপেন হাজৰিকালৈ শ্ৰদ্ধা নিবেদন কৰা হ'ব। সুৰতীৰ্থৰ উদ্যোগত এই উপলক্ষে বিয়লি ড° ভূপেন হাজৰিকা সৃষ্টি আৰু নৱ প্ৰজন্মক এখন আলোচনা চক্ৰৰো আয়োজন কৰা হৈছে।

0000000

ৰাজ্যসভাৰ বিজেপি সাংসদ ড° দীনেশ শৰ্মাক আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জৰ উপৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। ২০১৭ চনৰ ৮ অক্টোবৰত আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জৰ উপৰাজ্যপাল হিচাপে নিযুক্তি লাভ কৰা এডমিৰেল (অৱসৰপ্ৰাপ্ত) ডি কে যোশীৰ পাছত ড° শৰ্মাই এই পদত নিযুক্তি লাভ কৰে। ৬২ বছৰীয়া ড° শৰ্মা ইয়াৰ পূৰ্বে উত্তৰ প্ৰদেশৰ উপ মুখ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁৰ ৰাজ্যসভাৰ কাৰ্যকাল অহা ২৫ নৱেম্বৰত  সমাপ্ত হ'ব। ৰাষ্ট্ৰপতি ভৱনৰ পৰা কালি জাৰি কৰা এটা বিবৃতিত কোৱা হৈছে যে কাৰ্যালয়ৰ দায়িত্ব গ্ৰহণ কৰাৰ দিনাৰে পৰাই ড° শৰ্মাৰ নিযুক্তি কাৰ্যকৰী হ'ব।

0000000

চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ দ্বাৰা পৰিচালিত ৪৬ সংখ্যক নৰোৰাম বৰ্মন সোঁৱৰণী চলন্ত ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত আজি নৰ্থ-ইষ্ট ইউনাইটেড এফ চি, দুলীয়াজান অইলৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। যোৱা নিশা অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমিফাইনেলত নৰ্থ ইষ্ট ইউনাইটেড এফ চিয়ে ডি বি আই স্পোৰ্টছ ক্লাবক ৪-০ গ'লত পৰাস্ত কৰে। খেলখনত প্ৰথমাৰ্ধৰ ২৪ মিনিট আৰু ৩৬ মিনিটত নৰ্থ ইষ্ট ইউনাইটেডৰ তনবীৰে দুটা গ'ল দিয়ে। ৭৫ মিনিটত তুহিহাং আৰু ৭৭ মিনিটত আথ্রিন ৰাঙে এটাকৈ গল দি দলক ৪-০ অগ্ৰগতি প্ৰদান কৰে।

0000000

ভাৰতৰ স্বাত্বিকসাইৰাজ ৰনকীৰেড্ডী আৰু ছিৰাগ চেট্টীৰ যুটিটো একেৰাহ তৃতীয়বাৰৰ বাবে চাইনা মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। স্বাত্বিকসাইৰাজ আৰু ছিৰাগৰ যুটিটো   আজি ফাইনেলত চীনৰ হে জি টিং আৰু ৰেন জিয়াং য়ুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। বিশ্বৰ ৫ নম্বৰ স্থানৰ  স্বাত্বিকসাইৰাজ আৰু ছিৰাগৰ যুটিটোৱে ছেমিফাইনেলত মালয়েছিয়াৰ নুৰ মহম্মদ অজ্ৰিয়ন আয়ু আৰু টেন ৰি কিয়ঙক ২১-১৫, ১৮-২১, ২১-১১ গেমত পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

0000000

**সমাপ্ত**